**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 10-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

**HEADLINES**

**:::::::::::::::::::**

১। অসম আৰু পশ্চিমবংগৰ উপ-নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টীয়ে জয়লাভ কৰাৰ বিপৰীতে তামিলনাডুত টি ভি কে আৰু পুডুচেৰীত এ আই এন আৰ চিয়ে জয়লাভ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিশোৰীসকলৰ স্বাস্থ্য, পুষ্টি আৰু সামগ্ৰিক বিকাশৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনাইছে।

৩। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি ঝাৰখণ্ডৰ দেওঘৰ ভ্ৰমণ কৰিব।

৪। কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয়, যে ভাৰতে কোনো খণ্ডতে একচেটীয়া অধিকাৰ প্ৰদান নকৰে।

*আৰু*

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ৱেষ্ট ইণ্ডিজে ভাৰতক ছয় উইকেটত পৰাস্ত কৰে।

০০০০০

পশ্চিমবংগ আৰু অসমৰ উপ-নিৰ্বাচনত শাসকীয় ভাৰতীয় জনতা পাৰ্টিয়ে জয়লাভ কৰাৰ বিপৰীতে তামিলনাডুত বিধানসভাৰ উপ-নিৰ্বাচনত দুখন আসনত শাসকীয় তামিলাগা ভেট্ৰি কাঝাগামে জয়লাভ কৰিছে। পুডুচেৰীত শাসকীয় অল ইণ্ডিয়া এন. আৰ. কংগ্ৰেছে থাট্টাঞ্চৱাড়ী বিধানসভাৰ আসনখনত জয়লাভ কৰিছে।

কালি অসমৰ নগাঁও লোকসভা সমষ্টিৰ লগতে তামিলনাডু, পশ্চিমবংগ আৰু পুডুচেৰীৰ ৫টা বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে অনুষ্ঠিত হোৱা ভোটগণনাৰ পিছতে এই ফলাফল পোহৰলৈ আহে। মঙলবাৰে ৬খন আসনৰ উপ-নিৰ্বাচন অনুষ্ঠিত হয়।

বিজেপিয়ে পশ্চিমবংগৰ নন্দীগ্ৰাম আৰু ৰেজিনগৰ বিধানসভা দুয়োখন আসনত বৃহৎ ব্যৱধানত জয়লাভ কৰিছে। পূৱ মেদিনীপুৰ জিলাত অৱস্থিত নন্দিগ্ৰাম বিধানসভাৰ আসনত মুখ্যমন্ত্ৰী সুৰেন্দু অধিকাৰীৰ নিহত ব্যক্তিগত সহায়ক চন্দ্ৰনাথ ৰাথৰ মাতৃ বিজেপি প্ৰাৰ্থী হাছিৰানী

ৰাথে কংগ্ৰেছৰ প্ৰাৰ্থী মিলন প্ৰধানক এক লাখ ২২ হাজাৰৰো অধিক ভোটৰ অভিলেখ সৃষ্টি কৰি পৰাস্ত কৰে।

মুৰ্ছিদাবাদ জিলাৰ ৰেজিনগৰ বিধানসভাৰ উপ-নিৰ্বাচনতো বিজেপিৰ প্ৰাৰ্থী শংকৰভ সৰকাৰে আম জনতা উন্নয়ন পাৰ্টিৰ প্ৰাৰ্থী গোলাম নবী আজাদক ৭৫ হাজাৰৰো অধিক ভোটত পৰাস্ত কৰে। সৰকাৰে প্ৰায় এক লাখ ৩০ হাজাৰ ভোট লাভ কৰাৰ বিপৰীতে আজাদে প্ৰায় ৫৪ হাজাৰ ভোট লাভ কৰে।

ইফালে, অসমত নগাঁও লোকসভাৰ উপ-নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী দেৱাশীষ শৰ্মাই তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী অল ইণ্ডিয়া ইউনাইটেড ডেম'ক্ৰেটিক ফ্ৰণ্টৰ মুৰব্বী বদৰুদ্দিন আজমলক এক লাখ ৪২ হাজাৰৰো অধিক ভোটত পৰাস্ত কৰি জয়লাভ কৰে।  এই নিৰ্বচনত কংগ্ৰেছৰ প্ৰাৰ্থী শিবামনি বৰাই তৃতীয় স্থানতহে সন্তুষ্ট থাকিবলগীয়া হয়।

তামিলনাডুত মুখ্যমন্ত্ৰী চি জোচেফ বিজয় নেতৃত্বাধীন টিভিকে দলে ধৰাপুৰম আৰু মদুৰন্তকাম৯ বিধানসভাৰ উপ-নিৰ্বাচন দুয়োটাতে জয়লাভ কৰে। ধৰাপুৰমত টিভিকেৰ প্ৰাৰ্থী পি সত্যবামাই ডিএমকেৰ প্ৰতিদ্বন্দ্বী এছ সুগণ্যাক ৯৪৭১টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। মাদুৰন্তকামত টিভিকেৰ প্ৰাৰ্থী কে মৰাগাথাম কুমাৰভেলে ডিএমকেৰ প্ৰাৰ্থী আই পৰন্তামেনৰ বিৰুদ্ধে ২০,০৪০ ভোটত জয়লাভ কৰে।

ইফালে চুবুৰীয়া পুডুচেৰীত বিজেপি নেতৃত্বাধীন নেশ্যনেল ডেম'ক্ৰেটিক এলায়েন্সৰ মূল মিত্ৰ এআইএনআৰচিয়ে থাট্টাঞ্চৱাড়ী বিধানসভা সমষ্টিটোত জয়ৰ ধাৰা অক্ষুণ্ণ ৰাখিছে। এআইএনআৰচিৰ প্ৰাৰ্থী অশোক আনন্দই তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছ প্ৰাৰ্থী ই বিনায়াগমক ৮৪৮২টা ভোটৰ ব্যৱধানত পৰাস্ত কৰে। আনন্দই ১৩,৩৫৮টা ভোট লাভ কৰাৰ বিপৰীতে বিনায়াগমে ৪,৮৭৬টা ভোট লাভ কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কিশোৰীসকলৰ স্বাস্থ্য, পুষ্টি আৰু সামগ্ৰিক বিকাশৰ প্ৰতি অধিক গুৰুত্ব আৰোপ কৰিবলৈ আহ্বান জনাইছে। কালি নতুন দিল্লীত অনুষ্ঠিত দুদিনীয়া মহিলা আৰু শিশু বিকাশৰ ৰাষ্ট্ৰীয় বিভাগীয় সন্মিলনৰ বিদায়ী অধিৱেশনত অধ্যক্ষতা কৰি প্ৰধানমন্ত্ৰীয়ে এই মন্তব্য কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে এই ক্ষেত্ৰত জনসাধাৰণৰ অংশগ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰি অংগনবাড়ী কেন্দ্ৰসমূহক ৰাইজৰ অংশগ্ৰহণৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়। তেওঁ কয়, যে অংগনবাড়ীৰ কেন্দ্ৰৰ সমীপত বসবাস কৰা পৰিয়ালসমূহক শিশুৰ বাবে পুষ্টিকৰ খাদ্য, খেলা

সামগ্ৰী আৰু অন্যান্য স্থানীয় প্ৰাসংগিক সামগ্ৰী ভাগ-বতৰা কৰি বিশেষ অনুষ্ঠানত বৰঙণি আগবঢ়াবলৈ উৎসাহিত কৰিব লাগে।

মহিলাৰ সুৰক্ষা সৈতে জড়িত বিষয়সমূহৰ ওপৰত আলোচনা কৰি প্ৰধানমন্ত্ৰীয়ে মহিলাৰ সুৰক্ষা, মৰ্যদা আৰু সৱলীকৰণৰ ওপৰত শিশুসকলৰ বাবে বয়স অনুসৰি আৰ্হি প্ৰস্তুত কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ বিভিন্ন বিভাগৰ সমন্বিত প্ৰচেষ্টাৰ জৰিয়তে প্ৰতিৰোধমূলক ব্যৱস্থাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

প্ৰধানমন্ত্ৰীয়ে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত সহযোগিতামূলক সিদ্ধান্ত গ্ৰহণৰ ওপৰতো বিশেষ গুৰুত্ব আৰোপ কৰে। তেওঁ পৰামৰ্শ আগবঢ়ায় যে ৰাজ্যসমূহে জিলা পৰ্যায়ত আৰু নগৰ পালিকা তথা মহানগৰ পালিকা পৰ্যায়ত চিন্তন শিবিৰ আয়োজন কৰক যাতে তাৰ পৰা অভিজ্ঞতা, উদ্ভাৱন আৰু ব্যৱহাৰিক সমাধানৰ আদান-প্ৰদানৰ সুবিধা হয়। ইয়াৰ উপৰি প্ৰধানমন্ত্ৰী মোদীয়ে সমগ্ৰ দেশৰ মহিলা তথা শিশু উন্নয়নৰ বিভাগসমূহক স্বচ্ছতা অভিযানৰ সক্ৰিয়তাৰে নেতৃত্ব ল'বলৈ আহ্বান জনায়। তেওঁ লগতে কয়, যে সু-স্বাস্থ্য আৰু পুষ্টি, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ পৰা আৰম্ভ আৰু অংগনবাড়ী কেন্দ্ৰ তথা ইয়াৰ আশে-পাশে থকা জনগোষ্ঠীসমূহে ইয়াক প্ৰসাৰিত কৰাৰ বাবে গুৰুত্বপূৰ্ণ মঞ্চ হিচাপে কাম কৰিব পাৰে। প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে যে মহিলা সৱলীকৰণৰ বাবে ভোকেল ফৰ লোকেল আৰু **ৱান ডিষ্ট্ৰিক্ট ৱান প্ৰডাক্ট**ৰ দৰে কেন্দ্ৰীয় চৰকাৰৰ পদক্ষেপসমূহক প্ৰচাৰ কৰা উচিত। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে মহিলাৰ সামূহিক আৰু সামূহিক প্ৰতিষ্ঠানসমূহে স্থানীয় সামগ্ৰীসমূহ শক্তিশালী কৰা, জীৱিকাৰ উন্নতি আৰু অৰ্থনৈতিক সৱলীকৰণৰ প্ৰসাৰৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যুৱ প্ৰজন্মক ক্ৰমাগতভাৱে তেওঁলোকক দক্ষতা বিকাশৰ বাবে আহ্বান জনোৱাৰ লগতে প্ৰযুক্তিগত বিকাশৰ সৈতে ফেৰ মাৰি চলিবলৈ আহ্বান জনাইছে। নতুন দিল্লীত কালি অনুষ্ঠিত ৱৰ্ল্ড স্কিলছ্ ছাংহাই ২০২৬ত অংশগ্ৰহণ কৰা ভাৰতীয় দলটোৰ সদস্যসকলৰ সৈতে বাৰ্তালাপ কৰি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে এইদৰে কয়-

(বাইট ঃ মোদী)

এনে এখন গোলকীয় মঞ্চত দেশক প্ৰতিনিধিত্ব কৰি অংশগ্ৰহণ কৰা ভাৰতীয় দলটোক অভিনন্দন জনায় প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে আন্তঃৰাষ্ট্ৰীয় বজাৰৰ প্ৰয়োজনীয়তা অনুসৰি যুৱ প্ৰজন্মই নিজৰ দক্ষতা বিকাশ কৰা উচিত। তেওঁ লগতে এই মঞ্চত অংশগ্ৰহণৰ অভিজ্ঞতা আৰু পৰামৰ্শৰে ভাৰতৰ দক্ষতা প্ৰশিক্ষণ পৰিৱেশ তন্ত্ৰক শক্তিশালী কৰাৰ বাবে তেওঁলোকক অৰিহণা আগবঢ়াবলৈ আহ্বান জনোৱাৰ লগতে দক্ষতা বিকাশৰ ক্ষেত্ৰত নিজক যোগ্য ব্যক্তিত্বলৈ পৰিৱৰ্তিত কৰা উচিত বুলি মন্তব্য কৰে।

০০০০০

**উপ ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে আজি ঝাৰখণ্ডত অৱস্থিত দেওঘৰ ভ্ৰমণ কৰিব। এই ভ্ৰমণকালতে উপ- ৰাষ্ট্ৰপতিগৰাকীয়ে দেওঘৰত অৱস্থিত অখিল ভাৰতীয় চিকিৎসাবিজ্ঞান প্ৰতিষ্ঠান, এইমছৰ দ্বিতীয় সভাৱৰ্তন অনুষ্ঠানত উপস্থিত থাকিব। ইয়াৰ লগতে উপ- ৰাষ্ট্ৰপতিগৰাকীয়ে দেওঘৰৰ বি বি এম টি হাস্পতালত সৈন্য সম্পৰ্ক মেলাও পৰিদৰ্শন কৰিব।**

০০০০০

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কয় যে ভাৰতে কোনো খণ্ডতে একচেটিয়া অধিকাৰৰ অনুমতি নিদিয়ে। ভাৰতত কাম কৰাৰ বাবে ষ্টাৰলিংকৰ অনুজ্ঞাপত্ৰৰ ক্ষেত্ৰত কংগ্ৰেছৰ স্থিতিক লৈও তেওঁ কংগ্ৰেছক সমালোচনা কৰে। কালি নতুন দিল্লীত অনুষ্ঠিত ইণ্ডিয়া ম'বাইল কংগ্ৰেছ ২০২৬ৰ দশম সংস্কৰণত ভাষণ দি মন্ত্ৰী শ্ৰী সিণ্ডিয়াই কয় যে, তিনিটা কোম্পানী ক্ৰমে ষ্টাৰলিংক, জিঅ' চেটেলাইট কমিউনিকেশ্যন আৰু ইউটেলছেট ৱানৱেবে – চেটেলাইট যোগাযোগৰ অনুজ্ঞাপত্ৰ লাভ কৰিছে। তেওঁ কয় যে কাঠামো চূড়ান্ত হোৱাৰ পিছত চৰকাৰে এই কোম্পানীসমূহক ৰাজহ ভাগ-বতৰাৰ ভিত্তিত স্পেকট্ৰম আবণ্টন দিব। তেওঁ লগতে কয় যে উপগ্ৰহ যোগাযোগ অপাৰেটৰসকলক ব্যক্তিগতভাৱে নিৰ্ধাৰিত সুৰক্ষা নীতি আৰু অন্যান্য নিয়ন্ত্ৰণমূলক প্ৰয়োজনীয়তা পূৰণ কৰাৰ পিছতহে সেৱা আৰম্ভ কৰিবলৈ অনুমতি দিয়া হ'ব। মন্ত্ৰীগৰাকীয়ে কয় যে  গ্ৰাহকসকলক এটা নিৰ্দিষ্ট পৰিসৰৰ সেৱা প্ৰদান কৰাৰ লগতে একে সময়তে তেওঁলোকে মুক্ত বজাৰত নিজৰ পছন্দৰ বিকল্পসমূহ বাছি ল'ব পৰাৰ সুবিধা প্ৰদান কৰাটো চৰকাৰৰ দায়িত্ব।

যোগাযোগ মন্ত্ৰালয়ে কয় যে উপগ্ৰহ যোগাযোগ সেৱাৰ ক্ষেত্ৰত ভাৰতৰ নিয়ন্ত্ৰণ কাঠামো ন্যায্য আৰু বৈষম্যহীন।  তেওঁলোকৰ অনুজ্ঞাপত্ৰৰ চৰ্ত আৰু নিয়মৰ অধীনত অনুজ্ঞাপত্ৰ লাভ কৰা সকলোৱে সুৰক্ষাৰ প্ৰয়োজনীয়তাসমূহ মানি চলাটো প্ৰদৰ্শন কৰিব লাগিব। ইয়াৰ উদ্দেশ্য হৈছে প্ৰদান কৰা সেৱাসমূহে প্ৰয়োজনীয় সুৰক্ষা মান বজাই ৰখাটো নিশ্চিত কৰা আৰু ব্যৱহাৰকাৰী তথা তেওঁলোকৰ তথ্য সুৰক্ষিত কৰা।

ooooo

বৰ্তমান যুগত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ সংজ্ঞা বিকশিত হৈছে। কেৱল সশস্ত্ৰ বাহিনীৰ শক্তিৰ দ্বাৰাই নহয়, প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰশীলতাৰ দ্বাৰাও ৰাষ্ট্ৰীয় নিৰাপত্তা নিৰ্ধাৰিত হয়। কালি নতুন দিল্লীত অনুষ্ঠিত ছ'চাইটি অৱ ইণ্ডিয়ান ডিফেন্স মেনুফেকচাৰ্ছ চেম্পিয়নছ পুৰস্কাৰ প্ৰদান অনুষ্ঠানত এই মন্তব্য কৰে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই মন্তব্য কৰে। তেওঁ কয়  যে ভাৰত উন্নত সামৰিক হাৰ্ডৱেৰৰ বিশ্বাসযোগ্য আৰু নিৰ্ভৰযোগ্য ৰপ্তানিকাৰক হিচাপে আত্মপ্ৰকাশ কৰিছে। মন্ত্ৰী শ্ৰী সিঙে কয় যে ২০২৫-২৬ বিত্তীয় বৰ্ষত ভাৰতৰ প্ৰতিৰক্ষা ৰপ্তানিয়ে  ৩৮,৪২৪ কোটি টকা ৰ পঞ্জীয়ন বৃদ্ধিৰে অভিলেখ সৃষ্টি কৰিছে আৰু ই পূৰ্বৰ বিত্তীয় বৰ্ষৰ তুলনাত ৬০ শতাংশতকৈ অধিক হৈছে।  প্ৰতিৰক্ষা ৰাজহুৱা খণ্ডৰ উদ্যোগসমূহৰ (ডিপিএছইউ) অৱদান,

**যিয়ে মুঠ প্ৰতিৰক্ষা ৰপ্তানিৰ ৫৪.৮৪ শতাংশ অৰিহণা যোগোৱাৰ লগতে ব্যক্তিগত খণ্ডই ৪৫.১৬ শতাংশ অৱদান আগবঢ়োৱাটো আন এক কৃতিত্ব বুলি মন্ত্ৰী শ্ৰী সিঙে প্ৰকাশ কৰে।**

০০০০০

পুৰুষৰ ক্ৰিকেটত যোৱা নিশা ৰাঁচীত অনুষ্ঠিত হোৱা দ্বিতীয়খন টি-২০ আন্তঃৰাষ্ট্ৰীয় খেলত ৱেষ্ট ইণ্ডিজে ভাৰতক ছয় উইকেটত পৰাস্ত কৰি চলিত শৃংখলাত ১-১ৰে সমতা স্থাপন কৰে।

২৫০ ৰানৰ লক্ষ্য অনুসৰণ কৰি ৱেষ্ট ইণ্ডিজে ১৮ অভাৰ তিনিটা বলত চাৰিটা উইকেট হেৰুৱাই ২৫২ ৰান সংগ্ৰহ কৰি খেলখনত বিজয় সাব্যস্ত কৰে। আলহী দলটোৰ অধিনায়ক ছাই হোপে ৪৫ টা বলত ১০২ ৰান কৰাৰ সমান্তৰালকৈ ছাৰ্ফেন ৰাডাৰফৰ্ডে ৩৭ টা বলত ৮৪ ৰান কৰে।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেংটি কৰি নিৰ্ধাৰিত ২০ অভাৰত পাঁচটা উইকেট হেৰুৱাই ২৪৯ ৰান সংগ্ৰহ কৰিছিল। ভাৰতৰ হৈ সঞ্জু ছেমছনে ৪১ টা বলত ৮২ ৰান কৰে আৰু ঈষাণ কিষানে ২২ টা বলত ৪৩ ৰানৰ বৰঙণি আগবঢ়ায়।

ছাই হোপে অসাধাৰণৰ প্ৰদৰ্শনৰ বাবে প্লেয়াৰ অব দ্যা মেটচ সন্মান লাভ কৰে।

০০০০০

সমাপ্ত